# ECHO OF HIS CALL

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

## যীচু খ্ৰীষ্টৰ আহ্বানৰ প্ৰতিধ্বনি ASSAMESE

*India's National Spiritual Newspaper*

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

**Editor : S. SAM SELVA RAJ** | **16 Languages** | **Associate Editor : Sis. Bornali Thapa Raj**

VOL. XXI | YEAR OF OUR LORD JESUS CHRIST, 2020 JULY | No: 2


## Holy Bible

*PSALM 64:1-10*

## পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক**

**প্ৰভূৰ প্ৰশংসা হওঁক !**

**গীতমালা ৬৪ঃ১-১০**

১। হে ঈশ্বৰ, মোৰ নিজ দুখৰ কথা কওঁতে মোৰ মাত শুনা; শত্ৰুৰ ভয়ৰ পৰা মোৰ জীৱন ৰক্ষা কৰা।

২। কুকৰ্মীবোৰৰ গুপ্ত মন্ত্ৰণাৰ পৰা মোক লুকুৱাই ৰাখা, দুৰাচাৰীহঁতৰ কোলাহলৰ পৰা মোক গুপুতে ৰাখা।

৩। সিহঁতে তৰোৱাল ধৰোৱাদি নিজ নিজ জিবা ধৰাইছে, সিদ্ধজনক গুপুতে মাৰিবলৈ সিহঁতে নিজ নিজ হিংসা বাক্যৰূপ কাঁড় জুৰিছে।

৪। সিহঁতে তালৈ অকস্মাতে বাণ মাৰে, ভয় নকৰে।

৫। সিহঁতে কুমন্ত্ৰণাত নিজক উৎসাহ দিয়ে, গুপুতে ফান্দ পতাৰ বিষয়ে কথা পাতে; সিহঁতে কয়, কোনে আমাক দেখিব?

৬। সিহঁতে কু-আলচ পাতে, সিহঁতে কয়, আমি ভালকৈ ভাবি-চিন্তি কল্পনা ঠিক-ঠাক কৰি থৈছো; প্ৰত্যেকৰ আন্তৰিক ভাব আৰু হৃদয় গভীৰ।

৭। কিন্তু ঈশ্বৰে সিহঁতলৈ বাণ মাৰিব, সিহঁত অকস্মাতে কাঁড়ৰ দ্বাৰাই খুন হ'ব।

৮। সিহঁতৰ জিবা সিহঁতৰ বিৰুদ্ধে হোৱাত, সিহঁতক উজুটি খুউৱাই পেলোৱা হ', যিবিলাকে সিহঁতক দেখিব, সিবিলাক সকলোৱে মূৰ জোকাৰিব।

৯। আৰু সকলো মানুহে ভয় কৰিব; সিবিলাকে ঈশ্বৰৰ কৰ্ম প্ৰকাশ কৰিব আৰু তেওঁৰ কাৰ্যৰ বিষয়ে জ্ঞানেৰে বিবেচনা কৰিব।

১০। ধাৰ্মিক লোকে যিহোৱাত আনন্দিত হৈ তেওঁত আশ্ৰয় ল'ব আৰু সৰল মনৰ সকলোৱে গৌৰৱ কৰিব।

# "হে দেশ ভয় নকৰিবা, উল্লাসিত হৈ আনন্দ কৰা, কিয়নো যিহোৱাই মহৎ কাৰ্য কৰিলে"

## "Fear not, O land, be glad and rejoice, For the Lord has done marvelous things"

(যোৱেল ২ঃ২১)

**(পালক এচ, চাম ছেলভা ৰাজ)**

এই পৃথিৱীয়ে অতিকৈ কঠিন দিনবোৰক অতিক্ৰম কৰি গৈ থাকিবলগীয়া হৈ আছে, এইদৰে আগতে কেতিয়াও হোৱা নাছিল। আকাল, মহামাৰী, যুদ্ধ, বানপানী, ভূমিকম্প আগ্নেয়গিৰি ইত্যাদি ঘটনাবোৰ ঘটি আছে। কিন্তু ক'ৰনা ভাইৰাচ (কভিড-১৯)ৰ পৰা হোৱা বৰ্তমানৰ মহামাৰীয়ে বাস্তৱতে এই পৃথিৱীৰ অৱস্থাক বেয়া কৰি পেলাইছে। পৃথিৱীৰ প্ৰায়বোৰ দেশে তলাবন্ধ ঘোষণা কৰিছে, আৱশ্যকীয় সেৱা আৰু যোগান সেৱাক কেৱল অনুমতি দিয়া হৈছে। কাৰখানাবোৰ বন্ধ হৈছে, বিান সেৱা, ৰেলগাড়ী চলাচল, বাছ আৰু ট্ৰাক চলাচল বন্ধ হৈছে। কিয় হৈছে? আনকি খেতিও বন্ধ হৈছে। তাৰোপৰি গীৰ্জা উপাসনা আৰু গণ সমাৰোহ বন্ধ হৈছে। এনে ধৰণৰ ঘটনা আমি গোটেই জীৱনত কেতিয়াও দেখা নাই। মানুহ সকলো সামাজিক দূৰত্ব বজাই ৰাখি ঘৰৰ ভিতৰতেই থাকিবলগীয়া হৈছে, মুখ আৰু নাকত মাস্ক পিন্ধা হৈছে আৰু বীজাণুমুক্ত হৈ থাকিবলৈ বাৰে বাৰে হাত ধুবলগীয়া হৈছে।

### ভাইৰাচ

আমি বিভিন্ন ভাইৰাচবোৰৰ বিষয়ে শুনিছো, যেনে - স্পেনিচ জ্বৰ, মাৰবাৰ্গ, বসন্ত ৰোগ, হাণ্টা, ডেংগু, এইচ আই ভি, চাৰ্চ, জিকা, নিফা, ইবলা ইত্যাদি। তাৰে কিছুমান বহুত মাৰাত্মক আছিল আৰু বহুতৰে প্ৰাণ কাঢ়ি লৈছিল। কিন্তু এই সকলোবোৰৰ মাজত বৰ্তমানৰ কভিড-১৯ ভাইৰাচটো ইয়াৰ প্ৰাণঘাটী প্ৰকৃতিৰ বাবে ইমান বিপদজনক নহয়, কিন্তু ইয়াৰ সংক্ৰমণৰ উচ্চ ক্ষমতা থকাৰ বাবেহে ই বিপদজনক হয়। ই মাৰাত্মকো হয়। মৃত্যুৰ সংখ্যা শ শ হাজাৰক অতিক্ৰম কৰিছে আৰু গোটেই পৃথিৱীত হাজাৰ হাজাৰ লোকক সংক্ৰমিত কৰিছে। যাহক দেশসমূহৰ নেতৃবৰ্গই তেওঁলোকৰ মানুহৰ মাজত সচেতনতা সৃষ্টি কৰাত আৰু উপযুক্ত সময়ত চিকিৎসা প্ৰদান কৰাৰ যিবোৰ গ্ৰহণীয় পদক্ষেপসমূহ লৈছে তাৰ ফলস্বৰূপে কিছুদূৰ হ'লেও আপদক সীমিত কৰিব পৰা গৈছে। কিন্তু

*৩ পৃষ্ঠাত চাওঁক*

# শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা
# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

(ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৱী, উৰ্দ্দু, সিংহলী আৰু আফ্ৰিকানৰ মাহেকীয়া আলোচনী)



"... তোমাৰ উপকাৰ অৰ্থে তোমাক শিক্ষা দিওঁতা তুমি যাবলগীয়া বাটেদি তোমাক নিওঁতা তোমাৰ ঈশ্বৰ যিহোৱা ময়েই" (যিচয়া ৪৮ঃ১৭)

প্ৰভু যীচু খ্ৰীষ্টত মোৰ প্ৰিয়সকল,

এই পৃথিৱীৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ নামত শুভেচ্ছা জনালো।

মই এই পত্ৰ লিখাৰ সময়ত এই পৃথিৱীৰ লোকসকলে কভিড-১৯ (ক'ৰণা)ক লৈ ভয়ত থাকি দিনবোৰ অতিবাহিত কৰি আছে। এই মহামাৰীৰ বাবে গোটেই পৃথিৱীত হাজাৰ হাজৰ লোকসকলৰ মৃত্যু ঘটিছে। হাজাৰ হাজাৰ লোকসকলক এই ৰোগৰ বাবে চিকিৎসালয়ত বা নিজ গৃহতে চিকিৎসাৰ এটা অংশ হিচাপে পৃথক কৰি ৰখা হৈছে। এই বিষয়টোত আমি একমত হ'ব লাগিব। এই পৃথিৱীৰ লোকবিলাকক ঈশ্বৰে দয়া কৰিবৰ বাবে আৰু এই মাৰাত্মক ভাইৰাচক প্ৰতিৰোধ কৰিবলৈ আমি একেৰাহে প্ৰাৰ্থনা কৰিব লাগে। এই ৰোগৰ দ্বাৰাই আক্ৰান্ত হৈ নিৰীহ মানুহবিলাকৰ মৃত্যুৱে আমাৰ হৃদয়ক ভাঙি পেলাইছে। গতিকে আমাৰ দৰে আত্মিক লোকসকলৰ দায়িত্ব এয়ে যে আমি এই ৰোগৰ সংক্ৰমণৰ বিৰুদ্ধে যুঁজ দিব লাগিব। খ্ৰীষ্টিয়ানবিলাকৰ জীৱন ধাৰা, তেওঁবিলাকৰ উপাসনা কৰাৰ প্ৰক্ৰিয়া, তেওঁবিলাকৰ প্ৰাৰ্থনা কৰাৰ পদ্ধতিবোৰে, ঈশ্বৰৰ পৰিচৰ্যা কৰাৰ তেওঁবিলাকৰ পথবোৰে কেৱল আমাকেই অসন্তুষ্ট কৰাই নহয়, কিন্তু সৰ্বশক্তিমান ঈশ্বৰকো অসন্তুষ্ট দিয়ে। গতিকে, ঈশ্বৰৰ লোকবিলাকৰ লগতে ঈশ্বৰৰ দাসবিলাকৰ বাবেও এতিয়াও নিজ নিজ পাপবোৰ স্বীকাৰ কৰাৰ সময় আছে।

বাইবেলৰ মতে, এই মাৰাত্মক মহামাৰীৰ দুটা কাৰণ আছে।

"মই যদি আকাশ এনেকৈ বন্ধ কৰোঁ, যে বৰষুণ নহ'ব বা দেশ গ্ৰাস কৰিবলৈ কাকতি ফৰিঙক আজ্ঞা কৰোঁ বা নিজ প্ৰজাবিলাকৰ মাজলৈ পঠাওঁ,

তেন্তে মোৰ নামেৰে প্ৰখ্যাত হোৱা মোৰ প্ৰজাবিলাকে যদি নিজকে নম্ৰ কৰি প্ৰাৰ্থনা কৰে, আৰু মোৰ সাক্ষাৎ হ'বলৈ বিচাৰে, আৰু নিজ কুপথৰ পৰা ঘূৰে, তেন্তে মই স্বৰ্গৰ পৰা শুনি তেওঁবিলাকৰ পাপবোৰ ক্ষমা কৰিম আৰু তেওঁবিলাকৰ দেশ আৰোগ্য কৰিম"।

এইপদবোৰক বহুত প্ৰাৰ্থনা সভাত ব্যৱহাৰ কৰা হয়। যিহেতু মানুহবিলাকে এই পদবোৰক প্ৰায়ে শুনিয়ে থাকে, এই পদবোৰৰ দ্বাৰাই দিয়া শিক্ষাবোৰ সাধাৰণ বিষয় হৈ পৰিছে আৰু এই প্ৰাৰ্থনা অনুৰোধ সম্পৰ্কে মানুহবিলাকৰ কোনো উদ্বেগ নাই। প্ৰবু ঈশ্বৰে পৰিষ্কাৰভাৱে বৰষুণৰ অনুপস্থিতিৰ বিষয়ে কয়, কাকতি ফৰিঙ আৰু মহামাৰীবোৰ তেওঁৰ ক্ৰোধৰ ভাৱ প্ৰকাশ হয়, কোনেও ইয়াৰ খণ্ডন কৰিব নোৱাৰে।

যি খ্ৰীষ্টিয়ানসকলক তেওঁ নিজ সন্তান বুলি তেওঁবিলাকে সঠিক ধৰণে ঈশ্বৰক সন্মান দিবলৈ পাহৰি গৈছে আৰু তেওঁৰ গৌৰৱক তেওঁৰ নিজ সন্তানৰ দ্বাৰা অসন্মানিত কৰা হৈছে। মণ্ডলীবোৰৰ আৰাধানা উপাসনাবোৰ দেখিলে কোনোবা কাৰ্যসূচীৰ কিছু নাটকীয় অভিনয় যেন বোধ হয়। কিছুমান গীৰ্জা উপাসনাবোৰ ক্লাৱৰ দৰে চলে আৰু বাণিজ্য কেন্দ্ৰৰ দৰেও লাগে। আৰাধনা উপাসনাবোৰক প্ৰত্যেক ব্যক্তিৰ কল্পিত অনুযায়ী কৌতুকত পৰিণত হৈছে। সেই উপাসনাবোৰত কোনো ধৰণৰ শৃংখল নাথাকে।

আগৰ দিনৰ দৰে আজিকালি বাইবেল সম্বন্ধীয় মণ্ডলীবিলাকৰ শিক্ষা আৰু মতবাদবোৰক পালন কৰা হোৱা নাই আৰু আৰাধনা আৰু প্ৰশংসাৰ নামত নাচ-গানবোৰক অন্তৰ্ভুক্ত কৰি দিয়া হ'ল। এইবোৰক দেখি গীৰ্জা আৰাধনা হয় নে নহয় বুলি আমি সঁচাকৈয়ে অবাক হৈ যাওঁ।




**CHIEF EDITORS**
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.
**MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.
**ADMINISTRATION**
Bro. N. Prakasam, M.A., General Manager
**EDITORIAL BOARD**
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.
**ADVISORY BOARD**
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.
**PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
**Echo of His Call Printers**
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
**Phone :** (+91-44) 2852 8282
2852 9293, 2854 7766
**Email :** sam@echoofhiscall.org
biblecor@yahoo.co.in
**Websites :**
www.echoofhiscall.org
www.echoofhiscall.com

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners Village English High School Crusades 100 Prayer Warriors Community Development

* ঈশ্বৰৰ লোকবিলাকে উপনসনাত সঠিক সময়ত উপস্থিত নাথাকে।

* আমাৰ পূৰ্বপুৰুষসকলৰ দৰে আজিৰ মণ্ডলীৰ লোকবিলাকে এটি এক পৰিয়ালৰ দৰে উপাসনালৈ নাযায়।

* আৰাধনাৰ সময়ত, প্ৰাৰ্থনা, গীত গোৱাৰ সময়ত আৰু আনক শিক্ষা দিয়াৰ সময়তো ঈশ্বৰৰ লোকবিলাকে মবাইল ফোন, লেপটপ ইত্যাদি ব্যৱহাৰ কৰে।

* আজিৰ আধুনিক দিনৰ লোকবিলাকে, আমাৰ পূৰ্বপুৰুষসকলৰ দৰে লগত বাইবেল, ধৰ্মগীত আৰু শিক্ষা লিখিবলৈ বহী লৈ নাযায়। আনকি কিছুমান পালকসকলে আৰু মণ্ডলীৰ মানুহে গীত-গান গাবলৈ আৰু বাইবেল পঢ়িবলৈ মোবাইল ফোন ব্যৱহাৰ কৰে।

* গীৰ্জা চলি থকা সময়ত কিছুমান মানুহে বাহিৰত থিয় হৈ থকাৰ দ্বাৰাই উপাসনাক অসন্মান কৰে। কিছুমানে চাহৰ দোকানলৈ যায় আৰু কিছুমানে আনকি মদৰ দোকানলৈকো যায়।

* উপাসনা শেষ হোৱাৰ লগে লগে কিছুমান মানুহে নিজকে অধিক গুৰুত্বপূৰ্ণ দেখুওৱাবলৈ পালকসকলক সমালোচনা কৰে আৰু তেওঁলোকৰ বিৰুদ্ধে কথা কৰে।

* কিছুমান মানুহে মণ্ডলীৰ ভিতৰত ৰাজনীতি কৰে আৰু তেওঁবিলাকৰ ক্ষমতা দেখুৱাবলৈ বাইবেল সম্বন্ধীয় মতবাদৰ নামত তৰ্ক আৰু কাজিয়া কৰে।

* কিছুমান মানুহে তেওঁলোকৰ মতামতৰ ক্ষুদ্ৰ পাৰ্থক্যক লৈ পুলিচ থানালৈ যায় আৰু আনকি আদালতলৈও যায়।

এই সকলোবোৰ বস্তুৱে কিদৰে আমাৰ জীৱিত ঈশ্বৰক সন্তোষ দিব?

পৰিচাৰ্চাত থকা ঈশ্বৰৰ দাসসকলৰ বিষয়ে বাইবেলে কি কয়?

"কিন্তু দুষ্টক ঈশ্বৰে কৈছে ঃ মোৰ বিধিবোৰ প্ৰকাশ কৰিবলৈ আৰু তোৰ মুখত মোৰ নিয়মটি ল'বলৈ তোৰ কি স্বত্ব আছে? কাৰণ তই শিক্ষা ঘিণ কৰ আৰু মোৰ বাক্য তোৰ পাছলৈ পেলাব। চোৰক দেখিলে তই তাৰ মতত মত দিয়, তই ব্যভিচাৰীবোৰৰ লগৰীয়া হৱ। তই কু কথালৈ নিজৰ মুখ বঢ়াই থাক, আৰু তোৰ জীবাই ছলৰ কথা সাজে। তই বহি নিজ ভাইৰ অহিতে কথা কৈ থাক; তই সহোদৰ ভাইৰ অহিতে চৰ্চি ফুৰ। তই এইবোৰ কৰি আহিছ, তথাপি মই মনে মনে আছিলোঁ। তই ভাবছিলি যে ময়ো সম্পূৰ্ণৰূপে তোৰ নিচিনা; কিন্তু মই তোক ধমকি দিম আৰু তোৰ সাক্ষাতে সকলোকে চিজিলৰূপে প্ৰকাশ কৰিম" (গীতমালা ৫০ঃ১৬-২১)

যি জনা ঈশ্বৰে তেওঁৰ পৰিচৰ্যাৰ বাবে আমাক আহবান কৰিছে তেওঁৰ আমাৰ সৈতে আৰু আমাৰ কাৰ্যৰ বাবে অসন্তোষ হৈছে আৰু গীৰ্জাঘৰবোৰ বন্ধ কৰিবলৈ আমাক অনুমতি দিলে আৰু আমাৰ পৰিচৰ্যাৰ বিৰুদ্ধে তেওঁৰ মুখ ঘূৰাইছে। আনকি বিশ্ৰাম বাৰেও, আমি আমাৰ গীৰ্জাঘৰবোৰক ব্যৱহাৰ কৰিব পৰা নাই। অনুগ্ৰহ কৰি ২ বংশাৱলী ২৯ অধ্যায়, দ্বিতীয় বিৱৰণ ৬ আৰু ২৮ অধ্যায় অধ্যয়ন কৰক।

২ বংশাৱলী ২৯ঃ৬-৮ঃ "কিয়নো আমাৰ পিতৃবিলাকে সত্য লংঘন কৰিলে আৰু আমাৰ ঈশ্বৰ যিহোৱাৰ সাক্ষাতে কু-আচৰণ কৰিলে, বিশেষকৈ তেওঁবিলাকে তেওঁক ত্যাগ কৰিলে আৰু যিহোৱাৰ নিবাসৰ ঠাইৰ পৰা বিমুখ হৈ তালৈ পিঠি দিলে। আৰু সিবিলাকে বাৰাণ্ডাৰ দুৱাৰবোৰ বন্ধ কৰিলে, প্ৰদীপবোৰ নুমুৱাই ৰাখিলে, পৱিত্ৰস্থানৰ মাজত ইস্ৰায়েলৰ ঈশ্বৰৰ উদ্দেশ্য ধূপ নজ্বলালে, আৰু হোম বলি নিদিলে। এই নিমিত্তে যিহুদা আৰু যিৰূচালেমৰ ওপৰত যিহোৱাৰ ক্ৰোধ আছে; আৰু তোমালোকে নিজ চকুৰে এতিয়া দেখাৰ দৰে, সিবিলাক ত্ৰাসৰ, আচৰিতৰ আৰু ছি ছিৰ বিষয় হ'বলৈ তেওঁ সিবিলাক শোধাই দিলে"।

দ্বিতীয় বিৱৰণ ৬ঃ১২-১৪

"তেতিয়া, যি জনাই বন্দী ঘৰস্বৰূপ মিচৰ দেশৰ পৰা তোমাক উলিয়াই আনিলে, সেই জনা যিহোৱাক যেন ৰনাপাহৰা, তালৈ সাৱধান হোৱা। তুমি নিজ ঈশ্বৰ যিহোৱাকেই ভয় কৰা, তেওঁতেই আৰাধনা কৰা। আৰু তেওঁৰ নামৰেই শপত কৰা। তোমালোকে আন দেৱতাবোৰৰ, তোমালোকৰ চাৰিওফালে থকা জাতিবিলাকৰ দেৱতাবোৰৰ পাছত নচলিবা"।

দ্বিতীয় বিৱৰণ ২৮ঃ২০-২২

"তুমি যদি মন্দ কাৰ্য কৰি মোক ত্যাগ কৰাৰ কাৰণে, তুমি সংহাৰ আৰু শীঘ্ৰে বিনষ্ট নোহোৱালৈকে, কৰিবলৈ হাত দিয়া তোমাৰ সকলো কাৰ্য তুমি কৰি থাকোঁতে, যিহোৱাই তোমাৰ মাজলৈ শাও, ব্যাকুলতা আৰু ধমকি পঠাই থাকিব। তুমি অধিকাৰৰ অৰ্থে যি দেশত সোমাবলৈ গৈছা, সেই দেশৰ পৰা যিহোৱাই তোমাক উচ্ছন্ন নকৰে মানে তোমাত মহামাৰী লগাই থ'ব। যিহোৱাই যক্ষ্মাৰোগ, জ্বৰ, পোৰণি, দাহ, তৰোৱাল, ককৰ্তনীয়া আৰু ৰঙামুৰীয়া, এইবোৰৰ দ্বাৰাই তোমাক মাৰিব; তুমি বিনষ্ট নোহোৱা মানে সেইবোৰে তোমাক নেৰিব"।

দ্বিতীয়তে, প্ৰভু যীচু খ্ৰীষ্ট জগতক সোধ বিচাৰ কৰিবলৈ তেওঁৰ পুনৰাগমণৰ সময়ৰ লক্ষণবোৰ হ'ব পাৰে। এইটো মথিয়ে লিখা শুভবাৰ্তাৰ চচ্ছুঃছ্ছ-ৰ্ব্ব পদত লিখা আছে ঃ

"তেতিয়া যীচুৱে উত্তৰ দি তেওঁলোকক ক'লে, কোনেও যেন তোমালোকক নুভুলায়, তালৈ সাৱধান হোৱা। কিনো অনেকে মোৰ নামেৰে আহি, মই খ্ৰীষ্ট বুলি অনেকক ভুলাব। আৰু তোমালোকে ৰণৰ কথা আৰু যুদ্ধৰ সম্ভাৱনাৰ বাতৰি শুনিবা; সাৱধান হোৱা; ব্যাকুল নহ'বা; কিয়নো এইদৰে ঘটিব লাগে; কিন্তু কেতিয়াও শেষ নৌ হয়। জাতিৰ বিৰুদ্ধে জাতি ৰাজ্যৰ বিৰুদ্ধে ৰাজ্য উঠিব, আৰু ঠায়ে ঠায়ে আকাল আৰু ভূমিকম্প হ'ব; এই সকলো যাতনাৰ আৰম্ভণহে মাথোন। সেই কালত, ক্লেশ ভোগ কৰিবলৈ, মানুহবিলাকে তোমালোকক শত্ৰুৰ হাতত শোধাই দিব, বধো কৰিব। আৰু মোৰ নামৰ কাৰণে তোমালোকে সকলো জাতিৰ ঘৃণাৰ পাত্ৰ হ'বা। তেতিয়া অনেকে বিঘিনি পাব, আৰু ইজনে সিজনক ঘিণ কৰিব। আৰু অনেক ভাঁৰি কোৱা ভাববাদী ওলাই, অনেকক ভুলাব; আৰু অধৰ্মত অনেক হোৱাত, অনেকৰ প্ৰেম চেঁচা হৈ যাব। কিন্তু যি জনে শেষলৈকে সহি থাকে, সেই জনাই পৰিত্ৰাণ পাব"।

অলপতে, আমি শুনি পাইছো যে কিছুমান বিশ্ব নেতাসকলে এই ক্লেশবোৰৰ কাৰণসমূহক বুজি পাইছে। গতিকে আমি বিশ্বাস কৰিছো যে ঈশ্বৰে কিবা নতুন কাৰ্য কৰিবলৈ আৰম্ভ কৰিছে।

গতিকে এতিয়া, ঈশ্বৰৰ দাসসকলে কি ধৰণৰ আহবান পাইছে তাক পুনৰ বিবেচনা কৰা উচিত আৰু তেওঁবিলাকৰ পৰিত্ৰাণ, বাপ্তিস্ম আৰু পৱিত্ৰ জীৱনবিলাকৰ বাবে পাপ স্বীকাৰ কৰিব লাগে। মনে মনে নাথাকি আমি এই

পৃথিৱীৰ লোকসকলৰ বাবে, নেতাসকলৰ বাবে আৰু বিশেষকৈ মণ্ডলীৰ বিশ্বাসীসকলৰ বাবে নিৰন্তৰে প্ৰাৰ্থনা কৰিব লাগে। সৰ্বশক্তিমান ঈশ্বৰে এই পৃথিৱীৰ লোকসকলক দয়া কৰিব লাগে! তাৰ বাহিৰে আন কোনো উপায় নাই।

ঈশ্বৰলৈ সকলো মহিমা হওক!

খ্ৰীষ্ট যীচুত আপোনালোকৰৰ সেৱক
এচ. চাম ছেলভা ৰাজ।

(প্ৰথম পৃষ্ঠাৰ পৰা)

এই ভাইৰাচটোৱে হাজাৰ হাজাৰ লোকক কৰ্মহীন কৰি বিশ্ব অৰ্থনীতিৰ পিঠিক ভাঙি পেলাইছে।

ইটালী, স্পেইন, ফ্ৰান্স, ইউ কে, ইউ এচ এ, ৰাছিয়া, ইৰাণ আদি দেশসমূহে ইয়াৰ প্ৰচণ্ড চাপত ভূগিব লগা হৈছে। ভাৰতত ইয়াৰ বাবে মৃত্যু হাৰ শ শতকৈ অধিক হৈছে আৰু সংক্ৰমণৰ হাৰ হাজাৰতকৈ অধিক হৈছে। তামিলনাডুত কিছুমান লোকৰ মৃত্যু ঘটিছে আৰু কেইবা হাজাৰ লোক সংক্ৰমিত হৈছে। ভাৰতৰ সকলো ৰাজ্যই কেন্দ্ৰৰ লগত মিলি তলাবন্ধ ঘোষণা কৰিছে আৰু ইয়াৰ সংক্ৰমক নিয়ন্ত্ৰণৰ অধীনত আনিবলৈ অশেষ চেষ্টাত লাগি আছে। এই কাৰ্য প্ৰচুৰভাৱে চলি আছে!

এই ভয়ানক ভাইৰাচে যোৱা ২০১৯ নৱেম্বৰ মাহৰ পৰা চীন দেশৰ য়ুহান প্ৰদেশৰ পৰা আৰম্ভ কৰি খুউব কম দিনৰ ভিতৰতেই বনজুইৰ দৰে গোটেই পৃথিৱনীত বিয়পি গৈছে। আজিৰ পৰ্যন্ত এই নভেল ভাইৰাচৰ বাবে কোনো নিৰ্দিষ্ট ঔষধ উলিয়াব পৰা নাই। এতিয়াও মজুত থকা ঔষধবোৰকে সংক্ৰমিত লোকজনৰ লক্ষণবোৰ চাই সেই অনুপাতে ঔষধ দিয়া হৈছে। গৱেষকসকলে এই ভাইৰাচক নিয়নত্ৰণ কৰিবলৈ প্ৰতিষেধক বিচাৰি আছে। কিন্তু তেওঁলোকে ইয়াৰ সকলো ধৰণৰ পৰীক্ষাত কৃতকাৰ্য হৈ পৰীক্ষাগাৰৰ পৰা ওলাই আহিবলৈ তেওঁলোকক আৰু কিছু সময় লাগিব। যি কি নহওক, ঈশ্বৰৰ সন্তানবিলাকৰ বাবে যীচু খ্ৰীষ্টৰ তেজৰ নামত এক বিশেষ নিৰাপত্তা থাকিব।

এটা প্ৰশ্ন আমাৰ মনত আহিয়েই থাকে। কিয় বিপৰ্যয়বোৰে এই পৃথিৱনীত আঘাত কৰি থাকে? ইয়াৰ উত্তৰ একেবাৰে সাধাৰণ। যেতিয়া মানুহে ঈশ্বৰৰ পৰা দূৰলৈ আঁতৰি যায়, তেতিয়া তেওঁ মানুহবিলাকক তেওঁলৈ ঘূৰাই আনিবলৈ পৃথিৱীত আঘাত কৰিবলৈ অনুমতি দিয়ে। ঈশ্বৰে অধাৰ্মিক কুকৰ্মী আৰু বিদ্ৰোহী স্বভাৱৰ লোকবিলাকক শুধৰাবলৈ বিচাৰে। যিমান সোনকালে তেওঁবিলাক ঈশ্বৰলৈ ঘূৰি আহিব সিমান সোনকালেই বিপৰ্যয়বোৰৰ অন্ত হ'ব।

## নোহৰ দিনত হোৱা বিপৰ্যয়

নোহৰ দিনত, যিহোৱাই দেখিলে পৃথিৱীত মানুহৰ দুষ্টতা অধিক আৰু সদায় তাৰ মনৰ চিন্তাৰ সকলো কল্পনা কেৱল মন্দ। এই হেতুকে যিহোৱাই পৃথিৱীত মানুহ সৃষ্টি কৰাত বেজাৰ লাগি মনত বিষাদ পাই ক'লে, মই নিজে সৃষ্টি কৰা মানুহক পৃথিৱীৰ পৰা উচ্ছন্ন কৰিম, মানুহে সৈতে পশু, বগাই ফুৰা জন্তু, আকাশৰ চৰাই এই সকলোকে লুপ্ত কৰিম (আদিপুস্তক ৬ঃ৫-৭)। যীচু খ্ৰীষ্টৰ বাক্যৰ মতে নোহ জাহাজত সোমোৱাৰ আগলৈকে যেনেকৈ মানুহবিলাকে ভোজন পান কৰি বিয়া কৰি, বিয়া দি আছিলআৰু জলপ্লাৱন আহি সকলোকে উটুৱাই নিনিয়ালৈকে জ্ঞান নাপালে (মথি ২৪ঃ৩৭-৩৯)।

নোহে যিহোৱাৰ দৃষ্টিত অনুগ্ৰহ পালে কিয়নো তেওঁ ধাৰ্মিক আৰু সিদ্ধ পুৰুষ আছিল, আৰু ঈশ্বৰৰ লগত নোহৰ চলাচল আছিল। সেই গতিকে ঈশ্বৰে নোহ আৰু তেওঁৰ পৰিয়ালক ৰক্ষা কৰিবলৈ বিচাৰিছিল। আৰু তেওঁক এখন জাহাজ নিৰ্মাণ কৰিবলৈ ক'লে। ঈশ্বৰৰ আজ্ঞাৰ মতে নোহে জাহাজ নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰিলে। তাৰ মাজতে, তেওঁ মানুহবিলাকলৈ ধাৰ্মিকতাৰ বিষয়ে প্ৰচাৰ কৰিছিল। কিন্তু মানুহবিলাকে মনোযোগ নিদিলে আৰু তেওঁবিলাকৰ কুকৰ্মকে ত্যাগ নকৰিলে (১ পিতৰ ৩ঃ২০, ২ পিতৰ ২ঃ৫)।

পাছে ঈশ্বৰে নোহক সপৰিবাৰে জাহাজত উঠিবলৈ ক'লে আৰু লগতে শুচি পশুৰ প্ৰতিবিধৰ মতা মাইকী সাতোটা সাতোটা আৰু অশুচি পশুৰ মতা মাইকী এযোৰ এযোৰ ল'বলৈ ক'লে। প্ৰৱল বৃষ্টি হ'ল আৰু জলপ্লাৱন হ'ল। পাছে ঈশ্বৰে জাহাজৰ দুৱাৰ বন্ধ কৰিলে আৰু জাহাজ পানীত ওপঙি উঠিল। ওখ পৰ্বতবোৰ তল গ'ল। ডেৰশ দিনলৈকে জল প্ৰৱল হৈ আছিল। পৃথিৱীত লৰিচৰি ফুৰা সমূদায় প্ৰাণী মৰিল। নোহ জাহাজত এবছৰ ১৭ দিন থকাৰ পাছত যেতিয়া পানী ক্ৰমে কমি গ'ল তেওঁ ওলাই আহিল। যিবিলাক মানুহে নোহৰ বাক্যত মনোযোগ নিদিলে, সকলো মৰিল। ঈশ্বৰে কেতিয়াবা তেওঁৰ দাসসকলৰ দ্বাৰাই মানুহবিলাকক সাৱধান কৰি দিয়ে। বিবেচনাপূৰ্ণ লোকসকলে তেওঁৰ বাক্য শুনি নিজ নিজ পথবোৰক সংশোধন কৰি লয় আৰু ধ্বংস হোৱাৰ পৰা ৰক্ষা পায়।

## চদোম আৰু ঘমোৰালৈ বিচাৰ আৰু দণ্ড

যৰ্দনৰ সমভূমিত লাগি থকা নগৰ দুখন হৈছে চদোম আৰু ঘমোৰা। চদোমত অব্ৰাহামৰ ভাগিণ লোটে বাস কৰিছিল। সেই দুখন নগৰৰ লোকবিলাকে নোহৰ দিনতকৈয়ো অধিক হিংস্ৰ দুৰ্নীতিগ্ৰস্ত আৰু চৰিত্ৰহীন আছিল। যি দুজন মানুহে (স্বৰ্গদূত) আব্ৰাহামক লগ কৰি তাত ভোজন পান কৰি নগৰ দুখন পৰিদৰ্শন কৰিবলৈ বিচাৰিছিল, সন্ধ্যাবেলাত তেওঁলোকে লোটক সাক্ষাৎ কৰিলে। লোটে তেওঁলোকক তেওঁ ঘৰতেই থাকিবলৈ বিনয় কৰিলে। তেওঁলোকৰ মন কোমল হ'লত থাকি তেওঁৰ সৈতে ভোজন কৰিলে। তেওঁলোক শোৱাৰ পূৰ্বেই নগৰৰ অৰ্থাৎ চদোমৰ ল'ৰা বুঢ়া সকলোৱে আহি লোটক ভয় দেখুৱাই সেই পুৰুষ দুজনক উলিয়াই আনি দিবলৈ ক'লে, যাতে সিহঁতে তেওঁলোকৰ লগত কুব্যৱহাৰ কৰিব পাৰে। লোটে আনকি তেওঁৰ দুজনী জীক সিহঁতলৈ গতাই দিবলৈ বিচাৰিছিল, কিন্তু সিহঁতে নামানিলে। ঈশ্বৰে সিহঁতৰ চকু অন্ধ কৰি দিলে তাতে সিহঁতে যেনি তেনি গুছি গ'ল। ঈশ্বৰে লোট, তেওঁৰ তিৰোতা আৰু তেওঁৰ দুজনী জীয়েককো নগৰৰ বাহিৰলৈ যাবলৈ ক'লে, কিয়নো সেই নগৰখনক ধ্বংস কৰিবলৈ ইচ্ছা কৰিলে। ঈশ্বৰে ক'লে, "প্ৰাণ ৰক্ষাৰ অৰ্থে পলোৱা, পাছলৈ নেচাবা আৰু এই সমথলৰ কোনো ঠাইত নেথাকিবা, পৰ্বতটোলৈ পলাই যোৱা, নহ'লে বিনষ্ট হ'বা" (আদিপুস্তক ১৯ঃ১৭)। সূৰ্য উদয় হ'লত ঈশ্বৰে আকাশৰ পৰা চদোম আৰু ঘমোৰাৰ ওপৰলৈ গন্ধক আৰু অগ্নি বৰষাই দি ধ্বংস কৰিলে।

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**২০২০ চনৰ ১৯ জুলাইৰ পৰা ২০২০ চনৰ ১৮ আগষ্টলৈ**

### প্ৰশংসাৰ বিষয়সমূহ ঃ

জুলাই ১৯ ঃ প্ৰভু ঈশ্বৰে আমাক কভিড-১৯ৰ পৰা ৰক্ষা কৰি আছে।

জুলাই ২০ ঃ আমাৰ সহকাৰী সম্পাদক ভাই পৌল ৰাজক তেওঁৰ ৰোগৰ পৰা অনুগ্ৰহেৰে সুস্থ কৰিলে।

জুলাই ২১ ঃ আমাৰ সকলো সহকাৰী সম্পাদক আৰু তেওঁলোকৰ নিৰাপত্তাৰ বাবে ঈশ্বৰক প্ৰশংসা কৰোহক।

জুলাই ২২ ঃ ক'ৰণা ভাইৰাচেৰে সংক্ৰমিত লোকক সহায় কৰা, আমাৰ পৰিচৰ্যাত সহায় কৰা সকলো দয়ালু আৰু প্ৰিয় লোকসকলৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ।

জুলাই ২৩ ঃ শুভাবাৰ্তা নোপোৱা অঞ্চলবোৰত প্ৰৱেশ কৰি শুভবাৰ্তা বিলোৱাত ঈশ্বৰে আমাক অনুগ্ৰহেৰে সহায় কৰিলে।

জুলাই ২৪ ঃ কভিড-১৯ত সংক্ৰিমিত লোকসকলক আমি সহায় কৰিবলৈ সমৰ্থ হ'লো।

জুলাই ২৫ ঃ আমাৰ ছপাশালত ১৬ টা ভাষাত শুভবাৰ্তাৰ আলোচনী ছপা কৰি মিশ্বন ক্ষেত্ৰলৈ পঠোৱাত ঈশ্বৰে আমাক আশীৰ্বাদ কৰিলে।

জুলাই ২৬ ঃ কভিড-১৯ মহামাৰীৰ মাজতো ২০২০ৰ জুন মাহৰ পৰা তেওঁৰ আহবানৰ প্ৰতিধ্বনি প্ৰকাশন পুনৰ আৰম্ভ কৰাত ঈশ্বৰে আমাক সহায় কৰিলে।

জুলাই ২৭ ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহত সহায় কৰা সকলো লোকৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰোহক।

জুলাই ২৮ ঃ আমাৰ মিশ্বন ক্ষেত্ৰৰ বিষয়ে আমি ভাল খবৰ পাইছো।

জুলাই ২৯ ঃ আমাৰ পৰিচৰ্যাবিলাকত সকলো উৎসৰ্গিত কৰ্মচাৰীৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

জুলাই ৩০ ঃ আমাৰ বাইবেল কলেজৰ সকলো ছাত্ৰ-ছাত্ৰীক ঈশ্বৰে ৰক্ষা কৰিলে।

জুলাই ৩১ ঃ ঈশ্বৰে আমাৰ জেষ্ঠ পালক এচ. চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো মন্দ শক্তিৰ পৰা ৰক্ষা কৰি আছে।

আগষ্ট ১ ঃ কভিড-১৯ৰ সময়ছোৱাত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিৰ্চাৰ সকলো কাৰ্যত ঈশ্বৰে সহায় আৰু আশীৰ্বাদ কৰিলে।

আগষ্ট ২ ঃ আমাৰ পৰিচৰ্যাৰ সকলো কাৰ্য আৰম্ভ কৰিবলৈ আমাক সহায় কৰাৰ বাবে আমাৰ ঈশ্বৰক ধন্যবাদ জনাওঁ।

আগষ্ট ৩ ঃ আমাৰ পৃথিৱীৰ সকলো আত্মিক আৰু জাগতিক নেতাসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

### প্ৰাৰ্থনাৰ বিষয়সমূহ !

আগষ্ট ৪ ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক ভাই এম. পৌলৰাজৰ সম্পূৰ্ণ আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ৫ ঃ এই পৃথিৱীৰ পৰা ক'ৰণা জ্বৰ একেবাৰে গুচাই দিবৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ৬ ঃ ক'ৰণা জ্বৰত ভুগি নিজৰ প্ৰিয়জনক হেৰুওৱা পৰিয়ালবৰ্গৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ৭ ঃ গোটেই পৃথিৱীৰ লোকবিলাকৰ পাপ স্বীকাৰৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ৮ ঃ মানুহবিলাকৰ ওপৰত পুনৰ এবাৰ ঈশ্বৰৰ অনুগ্ৰহ বৰষিবৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ৯ ঃ ভাৰতৰ ওপৰত অভিশাপৰ পৰা মুক্তি পাবলৈ প্ৰাৰ্থনা কৰক।

আগষ্ট ১০ ঃ আমাৰ চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২০-২০২১ৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন হৈছে।

আগষ্ট ১১ ঃ এই মাহত আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ বাবে ঈশ্বৰে আৰ্থিক সহায় যোগোৱাৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১২ ঃ গোটেই পৃথিৱীৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১৩ ঃ পৃথিৱীৰ সকলো লোকবিলাকৰ প্ৰয়োজনৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১৪ ঃ গোটেই পৃথিৱীৰ ওপৰত ঈশ্বৰে জাগৰণ পঠিয়াবৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১৫ ঃ আমাৰ নহিমিয়া বাইবেল কলেজৰ ২০২০-২০২১ শিক্ষাবৰ্ষৰ বাবে ঈশ্বৰে উৎসৰ্গিত ছাত্ৰ-ছাত্ৰী যোগাবৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১৬ ঃ আমাৰ সহকাৰী সম্পাদক ভাই এম. পৌল ৰাজে লিখা ইংৰাজী পুস্তক "কিংডম অফ্ গড" অতি সোনকালে প্ৰকাশ কৰিবলৈ ঈশ্বৰৰ সহায়ৰ প্ৰয়োজন।

আগষ্ট ১৭ ঃ আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি পৰিচৰ্যাৰ বিভিন্ন কাৰ্যক্ৰমবিলাকৰ বাবে প্ৰাৰ্থনা কৰক।

আগষ্ট ১৮ ঃ আমাৰ মিশ্বন ফিল্ডৰ কৰ্মীসকলৰ বাবে প্ৰাৰ্থনা কৰক।

লোটৰ তিৰোতাই উভটি চালে আৰু তাতেই তাই লোণৰ স্তম্ভ হ'ল!

সমকামিতা হৈছে এটা ডাঙৰ পাপ। আনকি লোটৰ দিনতো এই পাপ কৰ্ম প্ৰচলিত আছিল। ঈশ্বৰে এই পাপ ঘৃণা কৰিলে আৰু এই পাপ কৰ্মক অভ্যাস কৰা দুখন নগৰক ঈশ্বৰে ধ্বংস কৰিলে। পথিৱীৰ বহু দেশৰ আইনী ব্যৱস্থাই এই কাৰ্যক পাপ নহয় বুলি ঘোষণা কৰিছে। পুৰুষ আৰু পুৰুষৰ মাজত মহিলা মাজত বিবাহ সম্পন্ন হৈ আছে। পৃথিৱীত সকলোৱে ইয়াক ঘৃণাৰ চকুৰে চাই এই মন্দৰ পৰা ওলাই আহিব। গতিকে, যেতিয়া দেশবোৰে ঈশ্বৰৰ ইচ্ছাৰ বিৰুদ্ধে যায়, ঈশ্বৰে মানুহবিলাকলৈ জলপ্লাৱন, মহামাৰী, ভূমিকম্প ইত্যাদিৰ ৰূপত তেওঁৰ বিচাৰ পঠিয়াই দিয়ে।

## মহামাৰী গুচিল

দায়ুদ ৰজাৰ দিনত ঈশ্বৰে মহামাৰীক গুচাইছিল। দায়ুদে ঈশ্বৰৰ পৰামৰ্শৰ অবিহনে তেওঁৰ সেনাপতি যোৱাবক ইস্ৰায়েল আৰু যিহুদাৰ ফৈদসকলক গণনা কৰিবলৈ আজ্ঞা দিছিল। দায়ুদে জয় হোৱা যুদ্ধবোৰত, তেওঁৰ শক্তিৰে জয় হোৱা নাছিল, কিন্তু ঈশ্বৰৰ শক্তিৰে হৈছিল। গতিকে তেওঁ সেই অনুশীলনত লিপ্ত হোৱাটো উচিত নাছিল। তৰোৱাল ধৰিব পৰা সাহসী মানুহবিলাকৰ গণনা কৰা হৈছিল। ইস্ৰায়েল ফৈদৰ ০.৮ মিলিয়ন আছিল আৰু যিহূদাৰ ফৈদৰ ০.৫ মিলিয়ন লোক আছিল। দায়ুদে তেতিয়া উপলব্ধি কৰিলে যে তেওঁ এই কাৰ্য মূৰ্খৰ দৰে কৰিলে।

গাদ ভাববাদীৰ ওচৰলৈ ঈশ্বৰৰ বাক্য আহিল। দায়ুদক তলত দিয়া তিনিটা দণ্ডৰ এটাক বাচি ল'বলৈ দিয়া হ'লঃ দেশত সাত বছৰ আকাল হ'ব লাগে নে, তেওঁৰ শত্ৰুৰ আগে আগে তিনিমাহ মাহলৈকে পলাই থাকিবা নাইবা তোমাৰ দেশত তিনি দিনলৈকে মহামাৰী হ'ব।

দায়ুদে বৰ ঠেকত পৰি গ'ল। তেওঁ তাৰে এটাকো বাচি ল'ব নোৱাৰিলে। তেওঁ গাদক ক'লে, "মই বৰ ঠেকত পৰিছোঁ, আমি যিহোৱাৰ হাতত পৰা ভাল, কিয়নো তেওঁৰ দয়া প্ৰচুৰ, কিন্তু মোক মানুহৰ হাতত পৰিবলৈ নিদিয়ক" (২ চমূৱেল ২৪ঃ১৪)।

ঈশ্বৰে ইস্ৰায়েললৈ মহামাৰী পঠালে আৰু সত্তৰ হাজাৰ লোক মৰা পৰিল। কিন্তু যেতিয়া দূতে যিৰূচালেমক বিনষ্ট কৰিবলৈ হাত মেলিলে ঈশ্বৰে আপদৰ নিমিত্তে খেদ কৰি সংহাৰক দূতক ক'লে, "এয়ে জুৰিছে, এতিয়া তোমাৰ হাত কোঁচোৱা"। সেই মহামাৰী গুচি গ'ল। যেতিয়া দায়ুদে নিজৰ অপৰাধ স্বীকাৰ কৰিলে আৰু ঈশ্বৰৰ হাতত নিজকে শোধাই দিলে, তেতিয়া যিৰূচালেম ৰক্ষা পৰিল।

## ঈশ্বৰে কি বিচাৰে?

ঈশ্বৰৰ লোকবিলাকৰ ওপৰত তেওঁৰ বহুত আশা আছিল। কিন্তু তেওঁবিলাক অতিকৈ অনৰ্থক হ'ল।

তথাপি মই তোমাক উত্তম দ্ৰাক্ষালতা বুলি সকলোভাৱে প্ৰকৃত গুটি বুলি ৰুইছিলোঁ, তেন্তে তুমি কেনেকৈ মোৰ গুৰিত বিজাতীয় দ্ৰাক্ষালতাৰ নৰম ডাল পৰিৱৰ্তন হ'লা?

যেতিয়া তেওঁবিলাকে মিছা কথা ক'লে আৰু তেওঁক পাহৰি গৈছিল, ঈশ্বৰে মনত দুখ পাইছিল।

তুমি কাৰ বিষয়ে ভয় আৰু শংকা কৰিছা যে, তুমি মিছা কথা কোৱা আৰু মোক সোঁৱৰণ নকৰা বা তোমাৰ মনত নাৰাখা? বহুদিনৰ পৰা নিজম দি থকাৰ নিমিত্তে, তুমি মোলৈ ভয় নকৰা নে কি? (যিচয়া ৫৭ঃ১১)।

তথাপি ঈশ্বৰ দয়ালু আৰু ক্ষমাশীল হৈ আছে তেওঁ ক'লেঃ

কাৰণ মই সদায় বিবাদ নকৰিম, আৰু চিৰকাল ক্ৰোধ নকৰিম, কিয়নো কৰিলে, আত্মা আৰু মোৰ নিৰ্মিত মনুষ্য মোৰ আগত মূৰ্ছিত হ'ব (যিচয়া ৫৭ঃ১৬)।

এতিয়া ঈশ্বৰে তেওঁৰ লোকবিলাকক আহবান কৰি কয়ঃ

তোমালোকৰ সমস্ত মনেৰে লঘোন, ক্ৰন্দন আৰু শোকেৰে মোলৈ ঘূৰা। আৰু তোমালোকে তোমালোকৰ বস্ত্ৰ নিছিৰি, মনহে ছিৰি তোমালোকৰ ঈশ্বৰ যিহোৱালৈ ঘূৰা, কিয়নো তেওঁ কৃপাময় আৰু স্নেহময়, ক্ৰোধত ধীৰ আৰু দয়াত মহান আৰু অমংগলৰ পৰা নিজকে ঘুৰাওঁতা (যোৱেল ২ঃ১২, ১৩)।

গতিকে ঈশ্বৰৰ লোকবিলাকৰ বাবে আত্মনিৰীক্ষণ কৰিবলৈ এতিয়াই উচিত সময় যে আমি ক'ত ঈশ্বৰৰ আগত পৰিলো। যেতিয়া আমি প্ৰভুলৈ আহিছিলো আমি তেওঁলৈ অতি আৱেগ আৰু প্ৰেম দেখুৱাইছিলো আৰু তেওঁৰ সকলো কাৰ্যত তৎপৰ হৈছিলো। ইফিচীয়া মণ্ডলীলৈ দিয়া বাৰ্তাত প্ৰভুৱে এইদৰে কয়, "তথাপি তোমাৰ বিৰুদ্ধে মোৰ কথা আছে যে, তুমি তোমাৰ প্ৰথম প্ৰেম এৰিলা" (প্ৰকাশিত বাক্য ২ঃ৪)।

এইটো এটা সত্য কথা যে আমাৰ বহুত লোকবিলাকে অধাৰ্মিক হৈ গৈছে আৰু কেতিয়াবাহে গীৰ্জাত যোগদান কৰে। ইউৰোপীয়া দেশবোৰত ডাঙৰ ডাঙৰ গীৰ্জাঘৰবোৰত দুৱাৰবোৰ মেলি, প্ৰভুৰ আৰাধনা কৰিবলৈ নিমন্ত্ৰণ কৰি থাকে। কেৱল কেইজনমান লোকহে দুৱাৰবোৰত প্ৰৱেশ কৰে আৰু আৰাধনাত যোগদান কৰে। গেলাপী, চকীবোৰৰ বেচি ভাগেই খালী হৈ থাকে। বহুত গীৰ্জাঘৰসমূহত মানুহৰ অভাৱ হোৱাৰ বাবে বিক্ৰী কৰি দিয়া হয় আৰু চিনেমা গৃহ বা নাচ-গান কৰা গৃহলৈ পৰিৱৰ্তন কৰা হয়। কিমানে আনকি সুৰাৰ দোকানলৈ পৰিৱৰ্তন কৰি দিয়ে। বহুতে অলপ তপত কৈ প্ৰভুৰ আৰাধনা কৰে। আত্মনিৰীক্ষণ কৰিবলৈ এইটোৱেই এটা উচিত সময়। আমি ক'ত আছো? গতিকে, আহক আমি চকুলোৰে আৰু ক্ৰন্দনেৰে অনুগ্ৰহৰ সিংহাসনলৈ আহোঁহক। আমাৰ ঈশ্বৰ এতিয়াও করুণাময় আৰু দয়ালু হয়!

## প্ৰাৰ্থনাৰ শক্তি

হিষ্কিয়া, যিহোদাৰ ৰজা নৰিয়াত পৰি মৃতপ্ৰায় অৱস্থা হৈছিল। যিচয়া ভাববাদী তেওঁৰ ওচৰলৈ গৈ ক'লে, "তুমি তোমাৰ ঘৰৰ বিষয়ে দিহা দিয়া, কিয়নো তোমাৰ মৃত্যু হ'ব, তুমি নিজীবা, হিষ্কিয়াই দেৱালৰ ফাললৈ মুখ ঘূৰাই যিহোৱাৰ আগত প্ৰাৰ্থনা কৰি ক'লেঃ

"হে যিহোৱা, বিনয় কৰোঁ, মই সত্যভাৱে আৰু শুদ্ধ মনেৰে তোমাৰ সাক্ষাতে কেনেকৈ চলি আহিছোঁ। আৰু তোমাৰ দৃষ্টিত কেনে সদাচৰণ কৰি আহিছোঁ, তাক তুমি এতিয়া সোঁৱৰণ কৰা, এই বুলি হিষ্কিয়াই বৰকৈ কান্দিলে (২ ৰাজাৱলী ২০ঃ৩)।

যিচয়া ভাববাদী ওলাই গৈ নগৰৰ মাজ নৌ পাওঁতেই ঈশ্বৰৰ পৰা বাক্য আহিল, তেতিয়া

তেওঁ উভতি গৈ ক'লে, “মই তোমাৰ প্ৰাৰ্থনা শুনিলোঁ আৰু তোমাৰ চকুলোত মোৰ দৃষ্টি পৰিল, চোৱা, মই তোমাক সুস্থ কৰিম, তৃতীয় দিনা তুমি যিহোৱাৰ গৃহলৈ উঠি যাবা। মই তোমাৰ আয়ুস পোন্ধৰ বছৰ বঢ়াই দিম আৰু মই অচূৰীয়া ৰজাৰ হাতৰ পৰা তোমাক আৰু এই নগৰ উদ্ধাৰ কৰিম আৰু মোৰ নিজৰ ও মোৰ দাস দায়ূদৰ কাৰণে মই এই নগৰৰ ঢালস্বৰূপ হ'ম” (২ ৰাজাৱলী ২০ঃ৫-৬)। হিষ্কিয়াৰ দৰে আহক আমিও চকুলোৰে আৰু প্ৰাৰ্থনাত ঈশ্বৰৰ চৰণত পৰিম। ঈশ্বৰে আমাৰ চকুলোত দৃষ্টি কৰিব আৰু প্ৰাৰ্থনা শুনিব আৰু ভাইৰাচৰ আক্ৰমণৰ পৰা আমাক আৰু পৃথিৱীক উদ্ধাৰ কৰিব।

ঐশ্বৰিক লোকসকল আৰু পৃথিৱীৰ চাৰিওফালে থকা ঈশ্বৰৰ দাসসকলে ঈশ্বৰৰ আগত এটা ভগ্ন হৃদয়েৰে সৰ্বশক্তিমান ঈশ্বৰলৈ দয়া কৰিবৰ বাবে প্ৰাৰ্থনা কৰি আছে। বাতৰি দিয়া চেনেলবিলাকে মানুহবিলাকে নিজ নিজ ঘৰৰ পৰা ওলাই আহি আঁঠু লোৱা, পথৰ ওপৰত প্ৰাৰ্থনাত পৰি থকা, ওপৰলৈ হাত মেলি ঈশ্বৰলৈ নিবেদন কৰাৰ দৃশ্যবোৰক দেখুৱাই আছি। তেওঁবিলাকে বহুত বেদনা আৰু যন্ত্ৰণাৰ অভিজ্ঞতা পাই আছে!

এই প্ৰাৰ্থনাবোৰে আমাক ইজ্ৰাই যেতিয়া বাবিলৰ পৰা বনবাস কৰি ঘূৰি আহি প্ৰাৰ্থনা কৰা দৃশ্যটো মনত পেলাইছে। তেওঁ দেখিছিল যে সেই পবিত্ৰ শস্য গুটিটো অশুচি হৈ গৈছিল আৰু তাত আত্মিক আৰু নৈতিকতাৰ পতন হৈছিল। তেওঁ উপবাস কৰিলে, ফটা বস্ত্ৰ পিন্ধিলে, উঠি আঁঠু ল'লে আৰু তেওঁৰ হাত দুখন ঈশ্বৰলৈ চাই মেলিলে। তেওঁ ঈশ্বৰৰ আশীৰ্বাদবোৰক, সতৰ্কবাণীবোৰক আৰু মানুহবিলাকৰ পাপবোৰক সোঁৱৰণ কৰিলে। তেওঁ তেওঁৰ প্ৰাৰ্থনাক এইবুলি সমাপ্ত কৰিলে ঃ “হে ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱা তুমি ধৰ্মময়, কিয়নো আজিৰ নিচিনাকৈ আমি ৰক্ষা পোৱা লোক অৱশিষ্ট আছো, চোৱা, আমি দোষী হৈ তোমাৰ সাক্ষাতে পৰি আছো, কিয়নো ইয়াৰ কাৰণে আমি কোনেও তোমাৰ সাক্ষাতে থিয় হ'ব নোৱাৰো” (ইজ্ৰা ৯ঃ১৫)। মানুহবিলাকে নিজ নিজ পাপবোৰক স্বীকাৰ কৰিলে আৰু সেই কালত তাত ডাঙৰ জাগৰণ আহিল।

যদিও মণ্ডলীসমূহে চৰকাৰী সীমাবদ্ধতা থকাৰ বাবে গণ সমাবেশ হৈ প্ৰাৰ্থনা কৰা নাই, কিন্তু তেওঁলোকৰ কিছুমান মানুহে সীমিত হৈ গোট খাই আৰাধনা আৰু প্ৰাৰ্থনা কৰি আছে আৰু ঈশ্বৰে তেওঁৰ লোকবিলাকক দয়া কৰিবলৈ নিবেদন কৰি আছে। কিছুমানে ইয়াক টি.ভি. চেনেল, ইউ টিউব, হোৱাটচ্ এপ ইত্যাদিৰ মাধ্যমেৰে লাইভ প্ৰকাৰ কৰি আছে। আমাৰ সমজুৱা প্ৰাৰ্থনাৰ বাবে এইবোৰ বিকল্প নহয়।

প্ৰিয় বন্ধুসকল, আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনি কৰ্মকৰ্তাসকলেও, আমি আমাৰ নিয়মীয়া গীৰ্জা-উপাসনাসমূহ চলাব নোৱাৰাৰ বাবে গভীৰ হৃদয়েৰে ঈশ্বৰৰ আগত থিয় দিছো। যি কি নহওক, আমি সীমিত সদস্যসকলৰ সৈতে আৰাধনা আৰু প্ৰাৰ্থনাৰ আয়োজন কৰি আছো, আৰু আন কিছুমান বিশ্বাসী আৰু সাধাৰণ জনতাৰ বাবে ইউ টিউব আৰু হোৱাটচ্ এপৰ মাধ্যমেৰে গধুৰ বোজা লৈ আয়োজন কৰি আছো। আমাৰ অধিক চিন্তাৰ বিষয়টো এয়ে যে যাতে আমাৰ লোকে এই ভাইৰাচৰ দ্বাৰাই সংক্ৰমণ নহ'ব আৰু যাতে পৃথিৱীয়ে অতি সোনকালে এই ভাইৰাচৰ পৰা উদ্ধাৰ পাব পাৰিব। আমি প্ৰাৰ্থনাত সোঁৱৰণ কৰি আছো।

আমাৰ প্ৰাৰ্থনাত ঈশ্বৰে মিচৰত যিধৰণে তেওঁৰ লোসমূহক মহামাৰীৰ কবলৰ পৰা ৰক্ষা কৰিলে, বিশেষকৈ দশম মহামাৰীৰ পৰা ৰক্ষা কৰিলে। মই বিশ্বাস কৰো যে প্ৰভু যীচু খ্ৰীষ্টৰ তেজ তেতিয়া ইস্ৰায়েলক ৰক্ষা কৰা মেৰৰ তেজতকৈয়ো অধিক শক্তি আছে। প্ৰভুৰ নামত আমি মেৰৰ তেজত থকা নিৰাপত্তাক পাবলৈ আমি দাবী কৰো।

## দৰিদ্ৰবিলাকক সোঁৱৰণ কৰা

তলাবন্ধৰ সময়ছোৱাত সৰু-বৰ সকলো কাৰখানাবোৰ বন্ধ হৈ আছে আৰু সমস্ত পৃথিৱীৰ হাজাৰ হাজাৰ লোকবিলাকক কৰ্মহীন হৈ আছে। কিছুমানে অলপ সময়ৰ বাবে হ'লেও ইয়াৰ প্ৰতিৰোধ কৰিব পাৰিছে কিন্তু কিছুমানে আৰম্ভণীৰে পৰা বিষম চাপ অনুভৱ কৰি আছে। ঈশ্বৰৰ বাক্যই কয় ঃ “কিয়নো দুখীয়া মানুহ দেশৰ পৰা নুগুছিব, এই নিমিত্তে মই তোমাক এই আজ্ঞা দিছো যি, তুমি নিজৰ দেশত থকা দুখীয়া আৰু দৰিদ্ৰ ভাইলৈ হাত মুকলিকৈ ৰাখিবা (দ্বিতীয় বিবৰণ ১৫ঃ১১)।

ঈশ্বৰৰ বাক্যত পোৱাৰ দৰে, আমাৰ চাৰিওফালে দুখীয়া আৰু দৰিদ্ৰ লোকসকল আছে, আমাৰ কিছুমানৰ সেই দুখীয়া আৰু দৰিদ্ৰলোকসকলক সহায় কৰিবলৈ ক্ষমতা থাকিব পাৰে। “যি জনে দৰিদ্ৰক কৃপা কৰে, তেওঁ যিহোৱাক ধাৰ দিয়ে, তেওঁ নিজ সৎকাৰ্যৰ পৰিশোধ কৰিব” (হিতোপদেশ ১৯ঃ১৭)। চৰকাৰৰ সাহায্য ব্যৱস্থাৰ বাহিৰেও অনেক বেচৰকাৰী অনুষ্ঠানবিলাকে, স্বেচ্ছাসেৱকসকলে আৰু স্বতন্ত্ৰ লোকসকলে দুখীয়া আৰু দৰিদ্ৰ লোকসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাৰ ফালৰ পৰায়ো আমাৰ মণ্ডলী আৰু জনসাধাৰণ মানুহৰ মাজত থকা দুখীয়া আৰু দৰিদ্ৰ লোকসকলৰ ভাই আৰু ভনীসকলক সহায় কৰিবলৈ আয়োজন কৰিলো। আমি বিশ্বাস কৰো এনে ধৰণৰ উত্তম হৃদয় থকা লোকসকলক ঈশ্বৰে সোঁৱৰণ কৰিব আৰু বহুগুণে আশীৰ্বাদ কৰিব।

কৃপা আৰু অনুগ্ৰহ আমাৰ ঈশ্বৰে ইতিমধ্যে আমাৰ প্ৰাৰ্থনাক শুনিছে আৰু ইয়াক আমাৰ ভূমিত দেখা দিব। যদিও ভাইৰাচটোৰ বিয়পা কাৰ্যটো অতি ভয়াৱহ হয়, কিন্তু বহু দেশবোৰত মৃত্যুৰ হাৰটো হ্ৰাস হৈছে আৰু আৰোগ্যৰ সংখ্যাও বৃদ্ধি পাই আছে। ভাৰতক অন্তৰ্ভুক্ত কৰি বহুত দেশবোৰে তলাবন্ধৰ পৰা জীয়াই থাকিবৰ চিন্তা কৰিছে যাতে অৰ্থনৈতিক ক্ৰিয়াকলাপবোৰ যোগাব পাৰিব। কিছুমান দেশবোৰে ইয়াৰ পৰা উদ্ধাৰ পোৱাৰ পথত আছে। আমি ঈশ্বৰলৈ নিৰন্তৰে প্ৰাৰ্থনা কৰি আছো যাতে ঈশ্বৰে তৎক্ষণাত ভাইৰাচৰ সংক্ৰমণক বন্ধ কৰি দিব আৰু পৃথিৱীৰ অৰ্থনৈতিক অৱস্থাক আগৰ দৰে জাগৃত কৰি দিব। আমি বিশ্বাস কৰিছো ঈশ্বৰে সোণকালে কাৰ্য কৰিব।

আমাৰ ঈশ্বৰে আৰাধনাক প্ৰেম কৰে। তেওঁৰ গীৰ্জা বন্ধ হৈ থকাটোক তেওঁ কেতিয়াও নিবিচাৰে। গীৰ্জা ঘৰসমূহত তেওঁৰ লোকবিলাকে বৃহৎ সংখ্যাত গোট খাই তেওঁৰ আগত তেওঁবিলাকৰ হৃদয়বোৰক বাকি দিয়া আৰু তেওঁৰ বেদীৰ আগত প্ৰাৰ্থনাৰ সুগন্ধ প্ৰবাহিত হৈ থকাটোক তেওঁ বিচাৰে। তেওঁ তেওঁবিলাকৰ প্ৰাৰ্থনা শুনাত আৰু অনুগ্ৰহ আৰু আশীৰ্বাদ কৰাত সন্তোষ পায়। ঈশ্বৰে তেওঁৰ দাস, পালকৰ যোগে প্ৰতি বিশ্ৰাম বাৰ দেওবাৰে তেওঁৰ বাক্য দিয়ে। গোটেই সপ্তাহটোত তেওঁৰ বাক্যই মেৰবিলাকক আহাৰ

আৰু পানী যোগোৱাত যথেষ্ট হ'ব। বেটাৰী ৰিচাৰ্জ কৰাৰ দৰে এইটোও এটা প্ৰত্যেক সপ্তাহত হোৱা আত্মিক ৰিচাৰ্জ হয়। যীচুৱে কৈছিল, “মোৰ মেৰবিলাকে হ'লে মোৰ মাত শুনে, ময়ো সেইবিলাকক জানো আৰু সেইবিলাক মোৰ পাছে পাছে আহে” (যোহন ১০ঃ২৭)।

প্ৰিয় বন্ধুসকল, আমি অতি সোনকালে মহামাৰীৰ কবলৰ পৰা ওলাই আহিম। অতি সোনকালে ডাঙৰ প্ৰাণশক্তিৰে আৰু উচ্ছাসেৰে আমি আৰাধনা কৰিম। আমাৰ মানুহবিলাকে তেওঁৰ বাক্য শুনিব। আমাৰ অৰ্থনীতিৰ অৱস্থা অতি সোনকালে ভাল হ'ব আৰু আমাৰ মানুহবিলাকৰ চাকৰিৰ নিশ্চিত হ'ব আৰু তেওঁবিলাকৰ জীৱিকা ঈশ্বৰৰ হাতত সংৰক্ষিত হ'ব!

আমি বিশ্বাস কৰো প্ৰভু ঈশ্বৰক আৰাধনা কৰাত পৃথিৱীত এটা নতুন নিয়ম প্ৰৱেশ কৰিব। মানুহবিলাকে ডাঙৰ উৎসাহেৰে আৰু সমপৰ্ণৰে তেওঁৰ ওচৰলৈ আহিব। ঈশ্বৰৰ দাসসকলে নিজকে তেওঁলৈ পুনৰ সমপৰ্ণ কৰাৰ প্ৰয়োজন হৈছে। সকলোৱে যীচুৰ পাছত যাব লাগিব, কিন্তু জগতৰ পিছে পিছে নহয়। আমাৰ জীৱন ধাৰণতো পৰিৱৰ্তন হ'ব লাগিব। সকলো আৰাধনা চলাওঁতা আৰু শিক্ষকসকলৰ এটা কঠোৰ পোচাক ক'ড হ'ব লাগিব! ঈশ্বৰৰ বেদীয়ে বলিদানৰ বিষয়ে শিক্ষা দিয়ে! ঈশ্বৰে আমাক আমাৰ ভুল সংশোধন কৰাৰ সুবিধা বহুত আগতে দিা হ'লে ভাল আছিল!

সঁচাকৈয়ে, আমি এটা নতুন শৃংখলাৰ বাবে তৈয়াৰ কৰা হৈ আছে। এই পৃথিৱীখন আৰু আগৰ দৰে হৈ নাথাকিব। “আৰু যিহোৱাৰ দ্বাৰাই উদ্ধাৰ পোৱা লোকবিলাক উলটি আহিব আৰু গীত গাই চিয়োনলৈ আহিব, তেওঁলোকৰ মূৰত চিৰস্থায়ী আনন্দ মুকট হ'ব, তেওঁলোকে আমোদ আৰু আনন্দ পাব; শোক আৰু হুমুনিয়াহ দূৰলৈ পলাব!

“হে দেশ ভয় নকৰিবা, উল্লাসিত হৈ আনন্দ কৰা;

কিয়নো যিহোৱাই মহৎ কাৰ্য কৰিলে!”

****

## এটি প্ৰিয় অনুৰুধ

আপোনালোকে জানে যে আমি বহুত ধৰণৰ অভাৱত পৰি ভীষণ হেঁচাত আছো যেনে - কৰ্মচাৰীসকলৰ বাবে দৰমহা আৰু কাগজ, কলম কিনাৰ খৰচ আৰু যাত্ৰাৰ খৰচ বহুত আছে। সাধাৰণতে আমি কেতিয়াও কাৰোপৰা আৰ্থিক সহায় নিবিচাৰে। কিন্তু এতিয়া যিবিলাকে আমাৰ এই পৰিচৰ্যাত প্ৰকৃততে সমৰ্থন জনাই আৰু প্ৰেম কৰে তেওঁলোকলৈ আমাৰ এটি বিনম্ৰ অনুৰোধ তেওঁলোকৰ দান আৰু বৰঙণি আমাৰ এই পৰিচৰ্যাত সহায় কৰিবলৈ মণি অৰ্ডাৰ, চেক বা ডিমাণ্ড ড্ৰাফ্‌ট, ফোনৰ যোগেদি বা এন.ই. এফ.টিৰ যোগেদি বা আন কোনো পদ্ধতিৰে আমালৈ পঠিয়াই যেন। ঈশ্বৰে আপোনাক নিশ্চয় আশীৰ্বাদ কৰিব

— সম্পাদক

তেওঁৰ আহবানৰ প্ৰতিধ্বনি


**NEHEMIAH BIBLE COLLEGES, CHENNAI, INDIA**

**ECHO OF HIS CALL MINISTRIES** (ESTD.: 1969)

**Affiliated to Hindustan Bible Institute & College (HBI), Chennai**

&

**Recognised by the International Christian Leaders & Senior Pastors for the 50 Years! Hundreds of candidates benefitted!!**

**RESIDENTIAL COLLEGE, Velachery**
**(Medium: English & Hindi)**
Course : Diploma in Theology,
Qualification : 10th Standard
Period : One year (with field and administrative trainings)

Golden Opportunity!

Don't miss!!

God is Calling you!!!

**EVENING COLLEGE, Chepauk & Santhoshapuram**
**(Medium : Tamil)**
Course : Diploma in Theology
*Monday, Tuesday & Thursday 6.30 PM to 8.30 PM*
(Evening Classes - Chepauk)
Qualification : 10th Standard
Period : One year (with Special Seminars on holidays)

**Pastor S. Sam Selva Raj, Founder-President**

**For more details & application forms please contact :**

NEHEMIAH BIBLE COLLEGES

10, Mohammed Abdullah 2nd Street, Bells Road, Opp. Cricket Stadium, Chepauk, Chennai - 600 005, India.

**Phone : (+91-44) 2852 8282, 2852 9293, 2854 7766, Cell No : (+91) 98410 71852, 95661 31858**

**E.mail : sam@echoofhiscall.org / biblecor@yahoo.co.in Websites : www.echoofhiscall.org / www.echoofhiscall.com**



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

**"কিয়নো যিহোৱা তোমাৰ বিশ্বাস ভূমি হ'ব, আৰু তেওঁ তোমাৰ ভৰি ফান্দত নপৰাকৈ ৰাখিব" (হিতোপদেশ ৩ঃ২৬)**

স্ক্ৰীপ্টচাৰ গিফ্ট মিশ্বন নামৰ অনুষ্ঠান এটাই প্ৰকাশ কৰা কিছুমান শুভবাৰ্তা পত্ৰিকা আৰু পুস্তক লৈ ভাই চামুৱেল দানিয়েল, ফেইথ এণ্ড ট্ৰেক্‌চ লীগ, ভাই, আৰ, জেমচ্ ৰণাল্ড আদিৰ সৈতে লগলাগি ৰাজপথত, বজাৰত, ৰেল ষ্টেচন, বাছযেগু, সাগৰৰ পাৰত আৰু ইত্যাদিত সন্ধ্যাবেলাত বিতৰণ কৰাৰ মোৰ এটা নিয়মীয়া অভ্যাস হৈ পৰিছিল। কিয়নো মই পুৱাবেলাৰ পৰা সন্ধ্যাবেলালৈকে চৰকাৰী কাৰ্যালয়ত চাকৰি কৰিছিলো আৰু মই শুভবাৰ্তা বিলোৱা কাৰ্য সন্ধ্যাবেলাৰ পৰা ৰাতি পৰ্যন্ত কৰিছিলো। মানুহে মোক পাগল বুলি ভাবিছিল আৰু তেওঁবিলাকে মোৰ পৰা আঁতৰে আঁতৰে থাকিবলৈ চেষ্টা কৰিছিল। কিন্তু মই মোৰ পৰিচৰ্যা একেৰাহে চলাই গ'লো। সাধাৰণ জনতাক শুভবাৰ্তা পত্ৰিকা বিলাবলৈ কেতিয়াবা মই ১৫ৰ পৰা ২০ কিলোমিটাৰলৈকে খোজ কাঢ়িচিলো। কিন্তু মোৰ নতুন বন্ধুবিলাকৰ সৈতে ঈশ্বৰৰ বিষয়ে আলোচনা কৰিবলৈ এডোখৰ ঠাই নাছিল।

এদিনাখন ১৯৭৩ চনত মই এখন বজাৰত শুভবাৰ্তা পত্ৰিকা বিলাই আছিলো আৰু সেই সময়ত মই কিছুমান মানুহক শুভবাৰ্তাৰ বিষয়ে ব্যাখ্যা কৰি আছিলো, তেতিয়া তেওঁবিলাক মোৰ ওচৰলৈ আহি মোক কিছুমান অস্বাভাৱিক প্ৰশ্ন সুধিবলৈ আৰম্ভ কৰি দিলে আনকি মোৰ শাৰীৰিকভাৱে আক্ৰমণ কৰিবলৈ চেষ্টা কৰিলে। মই শাৰীৰিকভাৱে অকলশৰীয়া অনুভৱ কৰিছিলো। অলপ সময়ৰ বাবে মই ভয় খাইছিলো, তেতিয়া মই স্বৰ্গৰফালে ঈশ্বৰৰ সহায় বিচাৰিছিলো। মই জানিছিলো যে তাত মোক ৰক্ষা কৰিবলৈ কোনো ভাই নাছিল আৰু সেই সন্ধ্যাবেলাত মোলৈ কিবা নহ'লে কিবা ঘটিবলৈ আছিল। মোৰ ভৰি আৰু হাতবোৰ কঁপি আছিল।

তৎক্ষণাত এজন যুৱক মোৰ সন্মুখত আহি উপস্থিত হ'ল, তেওঁ মোক সুধিলে, "আপুনি কোন হয়?" মই উত্তৰ দি ক'লো, "মই এজন সৰ্বশক্তিমান ঈশ্বৰৰ সাধাৰণ দাস"। তেওঁ মোক পুনৰ সুধিলে, "আপুনি ইয়াত কি উপদ্ৰৱ চলাই আছে?" মই উত্তৰ দিলো, 'মহাশয়, মই কাকো অসুবিধা দিয়া নাই। মোৰ অঞ্চলৰ এই লোকবিলাকে তেওঁবিলাকৰ পাপৰ বাবে আৰু খ্ৰীষ্টহীন জীৱনৰ বাবে অনন্তকলীয়া জুইৰ নৰকৰ ফালে গৈ আছে। মই এওঁলোকৰ এই পৃথিৱীত এটি আনন্দময় জীৱন আৰু অনন্তকাল জীৱনৰ প্ৰকৃত পথটোৰ বিষয়ে শিক্ষা দি আছে"। তেতিয়া তেওঁ মোৰ চাৰিওফালে থকা ভিৰৰ মাজতে মোক সাবটি ধৰি চুমা খালে। তেওঁৰ নিজৰ পৰিচয় মোক দিলে, যে তেওঁৰ নাম শ্ৰীমান গ্নানাচিগামানি হয়, তেওঁ ৰেইচ্‌লি মণ্ডলীৰ হয় আৰু তেওঁ ৰয়াপেট্টাহ, চেন্নাই-১৪ত থাকে। এইদৰে তেওঁ মোক ৰক্ষা কৰিলে।

তেতিয়া তেওঁ মোক "মহম্মদ হুছেইন ষ্ট্ৰীট"ত থকা তেওঁৰ ঘৰলৈ নিলে আৰু সাপ্তাহিক প্ৰাৰ্থনা গীৰ্জা আয়োজন কৰিবলৈ তেওঁৰ ঘৰৰেই এটা অংশ দান কৰিলে।

তেওঁৰ ভাৰ্যা শ্ৰীযুক্তা এঞ্জেলিনা আৰু তেওঁৰ কণ কণ ল'ৰা-ছোৱালীহঁতক মোৰ যত্ন ল'বলৈ ক'লে আৰু লগতে মোৰ পৰিচৰ্যাত সহায় কৰিবলৈ ক'লে। তেওঁ মোক প্ৰায় ৪০ বছৰ ধৰি তেওঁৰ প্ৰেম আৰু উৎসাহেৰে মোক সহায় কৰিছিল আৰু অৱশেষত ২০১২ চনত অক্টোবৰ মাহত প্ৰভুৰ মহিমালৈ শান্তিৰে প্ৰৱেশ কৰিলে। মোক এজন নম্ৰ দাস হিচাবে সহায় কৰাৰ বাবে ঈশ্বৰে তেওঁক সন্মানিত কৰিলে আৰু তেওঁৰ ভাৰ্যা আৰু তেওঁৰ দুটি সন্তানকো ঈশ্বৰে অত্যন্ত আশীৰ্বাদ কৰিলে।

প্ৰভুৱে কয়, "মই তোমালোকক স্বৰূপকৈ কওঁ, মোৰ এই ভাইবিলাকৰ মাজৰ সৰু এটিলৈকো যি কৰিছিলা, তাক মোলৈকেহে কৰিছিলা"। অনুগ্ৰহ কৰি আনাবিলাকলৈ উত্তম কাৰ্য কৰক, বিশেষকৈ ঈশ্বৰৰ সন্তানসকলোলৈ কৰক। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

****


**ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম**

**১। বিব্লিকৰ**

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱন**! নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম ঃ পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকলৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয় ল'ব পাৰিব। ১০০০ টকাৰ মাছুল লোৱা হ'ব। ১৪২ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College, Echo of His Call**
10, Mohammed Abdullah 2nd Street, Opp. Cricket Stadium,
Chepauk, Chennai - 600 005, India.
Ph. : (044) 2852 8282, 2852 9293, 2854 7766 Cell : (+91) 98410 71852
95661 31858. E-mail : biblecor@yahoo.co.in

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/18-20 WPP NO. TN/PMG(CCR)/WPP-262/18-20

# ECHO OF HIS CALL

**Monthly magazines in 16 languages, Bible Colleges, Postal Courses, Church Planting, Village English High School, Gospel Printing Press, Crusades, Seminars, Social Services, etc.**

**Annual Subscription : Rs. 100/- Life Subscription : Rs. 2000/-**

The multifarious activities of **Echo of His Call Ministry** is supported by the free-will offerings and donations of the God's Children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us. Whenever you change your postal or e-mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our websites also. You can read it by going into the site as well as downloading it and get blessed.

Your letters, prayer requests and your financial helps (by D.D., Cheque, M.O. etc.) to **ECHO OF HIS CALL** may be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, Mohammed Abdullah 2nd Street, Chepauk,
Chennai - 600 005, India
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766,
Cell: (+91) 98410 71852, 95661 31858
E-mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.echoofhiscall.com

**YOU CAN SEND YOUR DONATIONS ON ONLINE ALSO**

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEADQUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR -** Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikaans.
4. Nehemiah Bible Colleges (Two Centres)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 5.30 a.m. , 7.00 a.m. & 10.00 a.m. Sunday**
14. **Malayalam Service : 2.00 p.m. Sunday**
15. **Telugu Service : 4.00 p.m. Sunday**
16. **Hindi Service : 5.00 p.m. Sunday**
17. **English & Tamil Service : 6.00 p.m. Sunday**
18. Pastors' Counselling : 4.00 p.m. Sunday
19. Women's Prayer : 5.30 p.m. Wednesday
20. Mid-week Bible study : 6.30 p.m. Wednesday
21. Men's Prayer : 7.00 p.m. Friday
22. Workers' Meeting : 6.00 p.m. Saturday
23. House Meetings : 6.30 p.m. Monday & Tuesday
24. Special Holy Communion : 5.30 a.m. 1st day of each month
25. Ministers Review Meeting : 5.30 p.m. First Saturday
26. Parents' Prayer : 4.00 p.m. First Sunday
27. Night Prayer : 9.30 p.m. Second Friday
28. Fasting Prayer : 9:30 a.m. Third Saturday
29. Holy Communion : Second Sunday Services
30. Morning Devotion : 5.30 a.m. daily
31. Staff Devotion : 9.00 a.m. daily
32. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

RNI NO. TNASS/2000/2335
Postal Regn. No. TN/CH/(C)/204/18-20
WPP NO. TN/PMG(CCR) / WPP- 262/18-20
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 1st AUGUST 2020
If un-delivered please return to:
ECHO OF HIS CALL (ASSAMESE)
P.O. Box No. 2957,
Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**